# 2024

## ASSAMESE

## ( Regular Generic )

### Paper : ASM–RG–6016

### ( Chanda Aru Alankar )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) ছন্দৰ ক্ষুদ্ৰতম একক কি?

(খ) অসমীয়া কবিতাত ব্যৱহৃত আটাইতকৈ সৰু আৰু খৰতকীয়া ছন্দ কোনটো?

(গ) কোনটো ছন্দৰীতিক নৱকান্ত বৰুৱাই দেশজ ছন্দৰীতি বুলি কৈছে?

(ঘ) 'কাব্যং গ্ৰাহ্যমলংকাৰাৎ। সৌন্দৰ্যমলংকাৰ:' বুলি কোনজন আলংকাৰিকে কৈছিল?

(ঙ) অলংকাৰক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি?

(চ) "বগাকৈ বগলী বহলাই বহিছে
বলুকাত বিয়লি বেলা"—ইয়াত কি শব্দালংকাৰৰ প্ৰয়োগ হৈছে?

(ছ) অনুপ্ৰাস অলংকাৰৰ যি কোনো এটা প্ৰকাৰৰ নাম লিখা।

(জ) শ্লেষ শব্দৰ অৰ্থ কি?

(ঝ) 'তেওঁৰ মুখখন যেন এপাহ পদুমহে'—ইয়াত কি অলংকাৰৰ প্ৰয়োগ হৈছে?

(ঞ) নিন্দাৰ ছলেৰে প্ৰশংসা বা প্ৰশংসাৰ ছলেৰে নিন্দা কৰিলে কি অলংকাৰৰ সৃষ্টি হয়?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ছন্দশিল্পৰ আলোচনা প্ৰসংগত ব্যৱহৃত ধ্বনি কেইপ্ৰকাৰৰ আৰু কি কি?

(খ) যতি কাক বোলে?

(গ) ঝুমুৰী ছন্দৰ পৰ্বসংখ্যা কিমান? প্ৰতিটো পৰ্বত কিমান মাত্ৰা থাকে?

(ঘ) 'অলম্' শব্দৰ দুটা অৰ্থ লিখা।

(ঙ) শব্দালংকাৰ কাক বোলে, বুজাই লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) পদ

(খ) ঝুনা

(গ) যমক

(ঘ) বক্ৰোক্তি





(ঙ) ভ্ৰান্তিমান

(চ) পুনৰুক্তবদাভাস

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ছন্দসজ্জাৰ উপাদান হিচাপে মাত্ৰা, লয়, চৰণ, পৰ্ব আৰু স্তৱকৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ২+২+২+২+২=১০

*অথবা*

যৌগিক ছন্দৰীতিৰ স্বৰূপ আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা। ১০

(খ) ত্ৰিপদী ছন্দ কাক বোলে? তিনিটা ত্ৰিপদী ছন্দৰ বিষয়ে আলোচনা কৰা।

*অথবা*

মুক্তক ছন্দৰ স্বৰূপ বৰ্ণনা কৰি অসমীয়া আধুনিক কবিতাত ইয়াৰ প্ৰয়োগ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) কাব্যত অলংকাৰ প্ৰয়োগৰ প্ৰয়োজনীয়তা কি কি? মুখ্য প্ৰয়োজনীয়তা কোনটো? ইয়াৰ বিষয়ে বহলাই আলোচনা কৰা।

*অথবা*

কাব্যত অলংকাৰৰ স্থান সম্পৰ্কে বিভিন্ন আলংকাৰিকৰ অভিমত বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা।

(ঘ) সাদৃশ্যগৰ্ভ অলংকাৰ কাক বোলে? ইয়াৰ অংগকেইটাৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

অথবা

প্ৰকাৰভেদসহ ৰূপক অলংকাৰৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

★★★